অধ্যায় ২ ঃ শ্রীমদ্ভগৱদ্‌গীতা (দ্বাদশ অধ্যায়) পাঠ্যাংশৰ আলোচনা

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ গীতাৰ দ্বাদশ অধ্যায়ৰ শ্লোকসমূহৰ সংস্কৃত পাঠ

২.৩.১ গীতাৰ দ্বাদশ অধ্যায়ৰ শ্লোকসমূহৰ গদ্যৰূপ

২.৩.২ শ্লোকসমূহৰ অসমীয়া অনুবাদ

২.৪ শব্দাৰ্থ

২.৫ ব্যাকৰণগত টোকা

২.৬ ব্যাখ্যা

২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৮ অধিক জানিবলৈ

২.৯ অগ্রগতিৰ খতিয়ান

২.১০ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- গীতাৰ দ্বাদশ অধ্যায়ৰ শ্লোকসমূহৰ সংস্কৃত পাঠ অধ্যয়ন কৰিব পাৰিব
- শ্লোকসমূহৰ গদ্যৰূপ আৰু অসমীয়া অনুবাদৰ লগতো পৰিচিত হ'ব পাৰিব
- শ্লোকত থকা কঠিন শব্দবোৰৰ অসমীয়া শব্দাৰ্থ বিশেষভাৱে জানিব পাৰিব
- বিভিন্ন শব্দৰ ব্যুৎপত্তিও জানিব পাৰিব
- কেইটামান উল্লেখযোগ্য শ্লোকৰ ব্যাখ্যা অধ্যয়ন কৰিব পাৰিব।

২.২ পৰিচয়

শ্রীমদ্ভগৱদগীতাৰ দ্বাদশ অধ্যায়টো অত্যন্ত গুৰুত্বপূৰ্ণ এটি অধ্যায়। ইয়াতে ভক্তিযোগৰ বিষয়ে শ্রীভগবানে অর্জুনক জ্ঞান দিছে। শ্রেষ্ঠ ভক্তিয়েই হ'ল ভগবানক পোৱাৰ সহজতম উপায় - এই বিষয়ত সহজ-সৰল আলোচনা আগবঢ়োৱা হৈছে ভক্তিযোগ নামৰ দ্বাদশ অধ্যায়ত। তদুপৰি প্রিয়ভক্তৰ লক্ষণ এই অংশটিত থকা অত্যন্ত গুৰুত্বপূৰ্ণ এটি বিষয়। আলোচ্য অধ্যায়টিত গীতাৰ দ্বাদশ অধ্যায়ত থকা শ্লোকসমূহৰ সংস্কৃতপাঠ, পদৰ অন্বয়, অসমীয়া অনুবাদ, গুৰুত্বপূৰ্ণ শব্দসমূহৰ অর্থ তথা কিছুমান শ্লোকৰ ব্যাখ্যা আগবঢ়োৱা হৈছে। আপুনি এই অধ্যায়টিৰ জৰিয়তে শ্রীমদ্ভগৱদগীতাৰ বিষয়ে বহুতো কথা জানিব পাৰিব।

২.৩ গীতাৰ দ্বাদশ অধ্যায়ৰ শ্লোকসমূহৰ সংস্কৃত পাঠ

গীতাত সৰ্বমুঠ ১৮ টা অধ্যায় থকা বুলি আপুনি ইতিমধ্যে গম পালে। ইয়াৰে দ্বাদশ (১২) অধ্যায়টো আমাৰ অধ্যয়নৰ বিষয়বস্তু। গীতাৰ প্ৰতিটো অধ্যায়কে বিভিন্ন নামেৰে নামকৰণ কৰা হৈছে। দ্বাদশ অধ্যায়টো 'ভক্তিযোগ' নামেৰে জনা যায়। এতিয়া আপোনাৰ বাবে এই দ্বাদশ অধ্যায়ৰ সৰ্বমুঠ বিশ (২০) টা শ্লোকৰ সংস্কৃত পাঠ আগবঢ়োৱা হৈছে। লগতে প্ৰতিটো শ্লোকৰে কঠিন শব্দসমূহৰ বিসন্ধি (সন্ধি ভাঙি) দেখুৱা হৈছে। কঠিন শব্দসমূহৰ বিসন্ধি জানিলে আপোনাৰ শ্লোকবোৰ অধ্যয়ন কৰাত যথেষ্ঠ সুবিধা হব।

এৱং সততযুক্তা য়ে ভক্তাস্ত্বাং পর্যুপাসতে।
য়ে চাপ্যক্ষৰমৱ্যক্তং তেষাং কে যোগবিত্তমাঃ।। ১।।

বিসন্ধি - পর্যুপাসতে = পৰি + উপাসতে
চাপ্যক্ষৰমৱ্যক্তং = চ + অপি + অক্ষৰম্ + অৱ্যক্তং

শ্রীভগৱান্ উৱাচ

ময়্যাৱেশ্য মনো য়ে মাং নিত্য যুক্তা উপাসতে।
শ্রদ্ধয়া পৰয়োপেতাস্তে মে যুক্ততমা মতাঃ।। ২।।

বিসন্ধি - ময়্যাৱেশ্য = ময়ি + আৱেশ্য
পৰয়োপেতাস্তে = পৰয়া + উপেতাঃ + তে
যে ত্বক্ষৰমনির্দেশ্যমৱ্যক্তং পর্যুপাসতে।
সর্ৱত্রগমচিন্ত্যঞ্চ কূটস্থমচলং ধ্রুৱম্।। ৩।।

বিসন্ধি - ত্বক্ষৰমনির্দেশ্যমৱ্যক্তং = তু + অক্ষৰম্ + অনির্দেশ্যম্ + অৱ্যক্তং
সর্ৱত্রগমচিন্ত্যঞ্চ = সর্ৱত্রগম্ + অচিন্ত্যং + চ
কূটস্থমচলং = কূটস্থম্ + অচলং
সংনিয়ম্যেন্দ্রিয়গ্রামং সর্ৱত্র সমবুদ্ধয়ঃ।
তে প্রাপ্নুৱন্তি মামেৱ সর্ৱভূতহিতেৰতাঃ।। ৪ ।।

বিসন্ধি - সংনিয়ম্যেন্দ্রিয়গ্রামং = সংনিয়ম্য + ইন্দ্রিয়গ্রামং
মামেৱ = মাম্ + এৱ
ক্লেশোহধিকতৰস্তেষামব্যক্তাসক্তচেতসাম্।
অৱ্যক্তা হি গতির্দুঃখং দেহৱদ্ভিৰৱাপ্যতে।। ৫।।

বিসন্ধি - ক্লেশোহধিকতৰস্তেষামব্যক্তাসক্ত চেতসাম্ =
ক্লেশঃ + অধিকতৰঃ + তেষাম্ + অৱ্যক্ত আসক্তচেতসাম্
গতির্দুঃখং = গতিঃ + দুঃখং
দেহৱদ্ভিৰৱাপ্যতে = দেহৱদ্ভিঃ + অৱাপ্যতে
য়ে তু সর্ৱাণি কর্মাণি ময়ি সংন্যস্য মৎপৰাঃ।

অনন্যেনৈৱ যোগেন মাং ধ্যায়ন্ত উপাসতে।। ৬ ।।
তেষামহং সমুদ্ধর্তা মৃত্যুসংসাৱসাগৱাৎ।
ভৱামি ন চিৱাৎ পার্থ ময়্যাৱেশিতচেতসাম্।। ৭।।

বিসন্ধি - অনন্যেনৈৱ = অনন্যেন + ইৱ
তেষামহং = তেষাম্ + অহং
ময়্যাৱেশিতচেতসাম্ = ময়ি + আৱেশিতচেতসাম্।
ময়্যেৱ মন আধৎস্ব ময়ি বুদ্ধিং নিৱেশয়।
নিৱসিষ্যসি ময়্যেৱ অত ঊর্দ্ধং ন সংশয়।। ৮।।

বিসন্ধি - ময়্যেৱ = ময়ি +এৱ
অথ চিত্তং সমাধাতুং ন শক্নোষি ময়ি স্থিৱং।
অভ্যাসযোগেন ততো মামিচ্ছাপ্তুং ধনঞ্জয় ।। ৯ ।।

বিসন্ধি - মামিচ্ছাপ্তুং = মাম্ + ইচ্ছ + আপ্তুং
অভ্যাসেঽপ্যসমর্থোঽসি মৎকর্মপৱমো ভৱ।
মদর্থমপি কর্মাণি কুর্ৱন্ সিদ্ধিমৱাপ্স্যসি।। ১০।।

বিসন্ধি - অভ্যাসেঽপ্যসমর্থোঽসি = অভ্যাসে + অপি + অসমর্থঃ + অসি
মদর্থমপি = মদ্ - অর্থম্ + অপি
সিদ্ধিমৱাপ্স্যসি = সিদ্ধিম্ + অৱাপ্স্যসি
অথৈতদপ্যশক্তোঽসি কর্ত্তুং মদ্‌যোগমাশ্রিতঃ।
সর্ৱকর্মফলত্যাগং ততঃ কুরু যতাত্মৱান্।। ১১।।

বিসন্ধি - অথৈতদপ্যশক্তোঽসি = অথ + এতদ্ + অপি + অশক্তঃ + অসি
মদ্‌যোগমাশ্রিতঃ = মদ্ - যোগম্ + আশ্রিতঃ
শ্রেয়ো হি জ্ঞানমভ্যাসাজ্‌জ্ঞানাদ্ ধ্যানং ৱিশিষ্যতে।
ধ্যানাৎ কর্মফলত্যাগস্ত্যাগাচ্ছান্তিৱনন্তৱম্।। ১২।।

বিসন্ধি - জ্ঞানমভ্যাসাজ্‌জ্ঞানাদ্ = জ্ঞানম্ + অভ্যাসাৎ + জ্ঞানাদ্
কর্মফলত্যাগস্ত্যাগাচ্ছান্তিৱনন্তৱম্ = কর্মফলত্যাগঃ + ত্যাগাৎ + শান্তিঃ + অনন্তৱম্
অদ্ৱেষ্টা সর্ৱভূতানাং মৈত্রঃ করুণ এৱ চ।
নির্মমো নিৱহঙ্কাৱঃ সমদুঃখসুখঃ ক্ষমী।। ১৩।।
সন্তুষ্টঃ সততং যোগী যতাত্মা দৃঢ়নিশ্চয়ঃ।
ময়্যর্পিতমনোবুদ্ধির্যো মদ্ভক্তঃ স মে প্রিয়ঃ।। ১৪।।

বিসন্ধি - ময়্যর্পিতমনোবুদ্ধির্যো = ময়ি + অর্পিতমনোবুদ্ধিঃ + যঃ
যস্মান্নোদ্বিজতে লোকো লোকান্ নোদ্বিজতে চ যঃ।
হর্ষামর্ষভয়োদ্ৱেগৈর্মুক্তো যঃ স চ মে প্রিয়ঃ।। ১৫ ।।

বিসন্ধি - যস্মান্নোদ্বিজতে = যস্মাৎ + ন + উদ্বিজতে

নোদ্বিজতে = ন + উদ্বিজতে

হর্ষামর্ষভয়োদ্বেগৈর্মুক্তো = হর্ষ - অমর্ষ - ভয় - উদ্বেগৈঃ + মুক্তঃ

অনপেক্ষঃ শুচির্দক্ষঃ উদাসীনো গতব্যথঃ।

সর্বাৰম্ভপৰিত্যাগী যো মদ্ভক্তঃ স মে প্রিয়ঃ।। ১৬।।

বিসন্ধি - শুচির্দক্ষঃ = শুচিঃ +দক্ষঃ

শব্দবিশ্লেষণ - উদাসীনোগতব্যথঃ = উদাসীনঃ + গতব্যথঃ।

সর্বাৰম্ভপৰিত্যাগী = সর্ব - আৰম্ভ - পৰিত্যাগী

যো ন হৃষ্যতি ন দ্বেষ্টি ন শোচতি ন কাঙ্‌ক্ষতি।

শুভাশুভপৰিত্যাগী ভক্তিমান্ যঃ স মে প্রিয়ঃ।। ১৭।।

বিসন্ধি - যো ন = যঃ +ন

শব্দবিশ্লেষণ - শুভাশুভপৰিত্যাগী শুভ - অশুভ - পৰিত্যাগী

সমঃ শত্রৌ চ মিত্রে চ তথা মানাপমানয়োঃ।

শীতোষ্ণসুখদুঃখেষু সমঃ সঙ্গবিবর্জিতঃ।। ১৮।।

তুল্যনিন্দাস্তুতি র্মৌনী সন্তুষ্টো যেন কেনচিৎ।

অনিকেতঃ স্থিৰমতির্ভক্তিমান্ মে প্রিয়ো নৰঃ।। ১৯ ।।

বিসন্ধি - তুল্যনিন্দাস্তুতির্মৌনী = তুল্যনিন্দা - স্তুতিঃ + মৌনী

স্থিৰমতির্ভক্তিমান্ = স্থিৰমতিঃ +ভক্তিমান্

শব্দবিশ্লেষণ - মানাপমানয়োঃ = মান - অপমানয়োঃ

শীতোষ্ণসুখদুঃখেষু = শীত-উষ্ণ-সুখ-দুঃখেষু

য়ে তু ধর্মামৃতমিদং যথোক্তং পর্য়ুপাসতে।

শ্রদ্ধধানা মৎপৰমা ভক্তাস্তেঽতীব মে প্রিয়াঃ।। ২০।।

বিসন্ধি- ধর্মামৃতমিদং = ধর্ম - অমৃতম্ + ইদং

যথোক্তং = যথা + উক্তং

ভক্তাস্তেঽতীব = ভক্তাঃ + তে + অতীব



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ গীতাৰ দ্বাদশ অধ্যায়ৰ প্রথম শ্লোকটো মুখস্থ লিখক।

.....

প্রশ্ন নং ২ঃ 'পর্যুপাসতে' শব্দটোৰ ভাঙনি লিখক।

.....

প্রশ্ন নং ৩ঃ "শুচির্দক্ষঃ" শব্দটোৰ বিসন্ধি লিখক।

.....

২.৩.১ গীতাৰ দ্বাদশ অধ্যায়ৰ শ্লোকসমূহৰ গদ্যৰূপ

এৱং সততযুক্তাঃ যে ভক্তাঃ ত্বাং পর্য্যুপাসতে, যে চ অপি অক্ষৰম্ অব্যক্তম্ (পর্য্যুপাসতে), তেষাং কে যোগবিত্তমাঃ।। ১।।

ময়ি মনঃ আৱেশ্য নিত্যযুক্তাঃ পৰয়া শ্রদ্ধয়া উপেতাঃ যে মাম্ উপাসতে, তে মে যুক্ততমাঃ মতাঃ ।। ২।।

যে তু ইন্দ্রিয়গ্রামং সংনিয়ম্য অনির্দেশ্যম্ অব্যক্তম্ সর্বত্রগম্ অচিন্ত্যম্ অচলম্ ধ্রুৱম্ অক্ষৰম্ কূটস্থম্ পর্য্যুপাসতে, সর্বত্রসমবুদ্ধয়ঃ, সর্বভূতহিতে ৰতাঃ তে মাম্ এৱ প্রাপ্নুৱন্তি।। ৩ -৪।।

তেষাম্ অব্যক্ত-আসক্তচেতসাম্ অধিকতৰঃ ক্লেশঃ, হি অব্যক্তা গতিঃ দেহৱদ্ভিঃ অৱাপ্যতে।। ৫।।

যে তু অনন্যেন এৱ যোগেন, সর্বাণি কর্মাণি ময়ি সংন্যস্য, মৎপৰাঃ মাং ধ্যায়ন্তঃ উপাসতে, পার্থ! ময়ি আৱেশিতচেতসাং তেষাং মৃত্যুসংসাৰ-সাগৰাৎ ন চিৰাৎ অহং সমুদ্ধর্ত্তা ভৱামি।। ৬ - ৭।।

ময়ি এৱ মনঃ আধৎস্ব, ময়ি বুদ্ধিং নিৱেশয়, অতঃ উর্দ্ধং ময়ি এৱ নিৱসিষ্যসি, সংশয়ঃ ন।। ৮ ।।

ধনঞ্জয়! অথ ময়ি চিত্তং স্থিৰং সমাধাতুং ন শক্নোষি, ততঃ অভ্যাসেযোগেন মাম্ আপ্তুম্ ইচ্ছ ।। ৯।।

অভ্যাসে অপি অসমর্থঃ অসি, (তর্হি) মৎকর্মপৰমঃ ভৱ, মদর্থং কর্মাণি কুর্ৱন্ অপি সিদ্ধিম্ অৱাপ্স্যসি।। ১০।।

অথ (যদি) এতদ্ অপি কর্ত্তুম্ অশক্তঃ অসি, ততঃ মদ্যোগম্ আশ্রিতঃ যতাত্মৱান্ সর্বকর্মফলত্যাগং কুৰু।। ১১।।

অভ্যাসাৎ জ্ঞানং শ্রেয়ঃ, জ্ঞানাদ্ ধ্যানং ৱিশিষ্যতে, ধ্যানাৎ কর্মফলত্যাগঃ, ত্যাগাৎ অনন্তৰম্ শান্তিঃ (জায়তে)।। ১২।।

সর্বভূতানাম্ অদ্বেষ্টা, মৈত্রঃ, কৰুণঃ, এৱ চ নির্মমঃ, নিৰহঙ্কাৰঃ, সমদুঃখসুখঃ, ক্ষমী, সততং সন্তুষ্টঃ, যোগী, যতাত্মা, দৃঢ়নিশ্চয়ঃ ময়ি অর্পিতমনোবুদ্ধিঃ, যঃ মদ্ভক্তঃ সঃ মে প্রিয়ঃ।। ১৩ - ১৪।।

যস্মাৎ লোকঃ ন উদ্বিজতে, যঃ চ লোকাৎ ন উদ্বিজতে, হর্ষ-অমর্ষ-ভয়-উদ্বেগৈঃ মুক্তঃ, সঃ মে প্রিয়ঃ।। ১৫।।

অনপেক্ষঃ, শুচিঃ, দক্ষঃ, উদাসীনঃ, গতব্যথঃ, সর্বাৰম্ভপৰিত্যাগী, যঃ মদ্ভক্তঃ সঃ মে প্রিয়ঃ।। ১৬।।

যঃ ন হৃষ্যতি, ন দ্বেষ্টি, ন শোচতি, ন কাংক্ষতি, শুভাশুভপৰিত্যাগী, যঃ ভক্তিমান্ সঃ মে প্রিয়ঃ।। ১৭।।

শত্রৌ মিত্রে চ সমঃ, তথা মান-অপমানয়োঃ সমঃ, শীত-উষ্ণ-সুখ-দুঃখেষু সমঃ, সঙ্গবিৱর্জিতঃ তুল্যনিন্দাস্তুতিঃ, মৌনী, যেন কেনচিৎ সন্তুষ্টঃ, অনিকেতঃ, স্থি�ৰমতিঃ, ভক্তিমান্ নৰঃ মে প্রিয়ঃ।। ১৮ - ১৯।।

যে তু যথা-উক্তম্ ইদং ধর্মামৃতম্ পর্য্যুপাসতে, শ্রদ্দধানাঃ, মৎপৰাঃ তে ভক্তাঃ মে অতীৱ প্রিয়াঃ।। ২০।।

২.৩.২ শ্লোকসমূহৰ অসমীয়া অনুবাদ

এইখিনিত আপুনি ওপৰত উল্লেখ কৰা দ্বাদশ অধ্যায়টোৰ সংস্কৃত পাঠৰ অসমীয়া অনুবাদ অধ্যয়ন কৰিব পাৰিব -

অর্জুনে সুধিলে - যিসকল ভক্তই নিৰন্তৰ তোমাতেই চিত্ত অর্পণ কৰি তোমাৰ উপাসনা কৰে আৰু যিসকলে অবিনশ্বৰ (ব্রহ্মৰূপ) তথা অব্যক্তৰ উপাসনা কৰে, সেই সকলৰ ভিতৰত কোনসকল শ্রেষ্ঠতৰ যোগী? (১)

ভগৱানে ক'লে - যিসকলে মো�ৰ ওপৰত মন স্থিৰ কৰি পৰম শ্রদ্ধাৰে নিৰন্তৰ মোৰ উপাসনা কৰে, তেওঁলোককেই শ্রেষ্ঠ যোগী বুলি বিবেচনা কৰোঁ। (২)

যিসকলে ইন্দ্রিয়সমূহ সংযত কৰি অনির্বচনীয় (অনির্দেশ্য) ৰূপাদিবিহীন (অব্যক্ত), সর্বব্যাপী (সর্বত্রগ), অচিন্ত্য, স্পন্দনবিহীন (অচল), নিত্য (ধ্রুব), অবিনাশি (অক্ষৰ) আৰু মায়াৰদ্বাৰা অধিষ্ঠিত (কূটস্থ) ব্রহ্মৰ উপাসনা কৰে, যাৰ সকলোৰে প্রতি সমান জ্ঞান আৰু যিসকল সকলো প্রাণীৰ কল্যাণৰ বাবে সমর্পিত, তেওঁলোকে মোকেই লাভ কৰে। (৩,৪)

যিসকলৰ চিত্ত নির্গুণ ব্রহ্মত (অব্যক্ত) নিবিষ্ট, তেওঁলোকৰ কষ্ট অধিক; কাৰণ দেহধাৰীসকলে (মানুহে) অতিশয় কষ্টেৰে অব্যক্ত ব্রহ্মবিষয়ক লক্ষ্যৰ পিনে অগ্রসৰ হবলগীয়া হয়। (৫)

যিসকলে সকলো কর্ম মোৰ ওপৰত আৰোপ কৰি মোতেই সমাহিত-চিত্ত হৈ একনিষ্ঠ যোগৰদ্বাৰা মোৰ ধ্যানত মগ্ন হৈ মোৰ উপাসনা কৰে, আৰু মোতেই চিত্ত আবিষ্ট কৰি ৰাখে, হে অর্জুন, মৰণশীল সংসাৰ-সমুদ্রৰপৰা মই অচি�ৰেই সেইসকলৰ উদ্ধাৰকর্ত্তা হওঁ। (৬,৭)

মোৰ ওপৰতেই তোমাৰ মন স্থিৰ কৰি ৰখা, তোমাৰ বুদ্ধি মোৰ ওপৰতেই নিবিষ্ট কৰি ৰখা। ইয়াৰ পিছত (অর্থাৎ, কর্মফল ভোগৰ অন্তত) মোতেই বাস কৰিব পাৰিবা, ইয়াত কোনো সন্দেহ নাই। (৮)

হে ধনঞ্জয়, যদিহে মোৰ ওপৰত তোমাৰ চিত্ত স্থিৰ কৰিবলৈ অসমর্থ হোৱা, তেনেহলে যোগাভ্যাসৰ দ্বাৰা মোক পাবলৈ যত্নপৰ হোৱা। (৯)

অভ্যাসৰদ্বাৰা সাধনা কৰিবলৈ অসমর্থ হ'লে, মোৰ প্রীতিসাধনৰ বাবে কর্ম সম্পাদন কৰা। মোৰ বাবে কর্ম কৰিও সিদ্ধিলাভ কৰিব পাৰিবা। (১০)

তুমি যদি সেয়া কৰিবলৈও অসমর্থ হোৱা, তেন্তে একমাত্র মোৰ শৰণ গ্রহণ কৰি, মন সংযত কৰি সকলো কর্মৰ ফল ত্যাগ কৰা। (১১)

অভ্যাসতকৈ (যোগাভ্যাস) জ্ঞান শ্রেষ্ঠ, জ্ঞানতকৈ ধ্যান শ্রেষ্ঠ, ধ্যানতকৈ কর্মফল ত্যাগ কৰা শ্রেষ্ঠ আৰু ত্যাগেই নিৰন্তৰ শান্তি আনে। (১২)

মোৰ ওপৰত মন আৰু বুদ্ধি সমর্পণ কৰা যিগৰাকী ভক্ত সকলো প্রাণীৰ প্রতি বিদ্বেষশূণ্য, মিত্রতাভাৱাপন্ন, দয়ালু, মায়াবিহীন , অহঙ্কাৰশূন্য, সুখ-দুখত অবিচল, ক্ষমাশীল, সর্বদা সন্তুষ্ট, যোগসাধক, সংযত চিত্ত আৰু দৃঢ়সংকল্প - তেওঁ মোৰ প্রিয়। (১৩ - ১৪)

যাৰপৰা কোনেও পীড়া (কষ্ট) নাপায়, যিয়ে (নিজে) আনৰপৰা পীড়া নাপায়, আৰু যিজন আনন্দ, ক্রোধ, ভয় তথা উদ্বেগৰপৰা মুক্ত, তেৰোঁ মোৰ প্রিয়। (১৫)

যিজন ভক্ত নিস্পৃহ, পৰিত্র, অনলস, পক্ষপাতশূন্য, মানসিক দুঃখবর্জিত, সকলো কর্ম পৰিত্যাগী, তেওঁ মোৰ প্রিয়। (১৬)

মোৰ প্রতি ভক্তিপৰায়ণ যিজন লোকে সুখতো আনন্দ নকৰে, কাকো হিংসা নকৰে, শোক নকৰে, কোনো বিষয়ৰ প্রতি আকাঙক্ষা নকৰে, আৰু ভাল-বেয়া নির্বিশেষে সকলো কর্ম বর্জন কৰে, তেওঁ মোৰ প্রিয়। (১৭)

যিয়ে শত্রু আৰু মিত্রৰ প্রতি সমান ভাৱ পোষণ কৰে, মান-অপমানক সমান বুলি জ্ঞান কৰে, শীত-উত্তাপ তথা সুখ-দুখত অবিচল, সকলো প্রকাৰৰ আসক্তি বর্জিত, মান -অপমানক সমান বুলি জ্ঞান কৰে, সংযতবাক্ (মৌনী), যি পায় তাতেই সন্তুষ্ট, যাৰ নির্দিষ্ট বাসস্থান নাই, যাৰ চিত্ত স্থিৰ, সেই ভক্তিপৰায়ণ লোক মোৰ প্রিয়। (১৮ - ১৯)

মই অতবেলি কোৱা এই অমৃতময় ধর্মৰ যিসকলে অনুশীলন কৰে, যিসকল শ্রদ্ধাশীল আৰু মোকেই আশ্রয় বুলি জ্ঞান কৰে, সেই সকল ভক্ত মোৰ অতিশয় প্রিয়। (২০)

২.৪ শব্দার্থ

ইয়াত আপুনি গীতাৰ দ্বাদশ অধ্যায়ৰ শ্লোকসমূহত থকা কিছুমান টান শব্দৰ অর্থৰ লগত পৰিচিত হব।

শব্দ	অর্থ
যোগবিত্তমাঃ =	যোগীসকলৰ ভিতৰত শ্রেষ্ঠসকল
উপেতাঃ =	যুক্ত কৈ থকা ব্যক্তিসকল
অক্ষৰম্ =	বিনাশৰহিত
সর্বত্রগম্ =	সকলোতে বিচৰণশীল

কূটস্থম্ = মায়াসমূহৰ দ্বাৰা অধিষ্ঠিত
ধ্রুবম্ = নিত্য, সদায়
ইন্দ্রিয়গ্রামম্ = শৰীৰৰ অঙ্গ-প্রত্যঙ্গসমূহ
দেহৱদ্ভিঃ = শৰীৰধাৰীসকলৰদ্বাৰা
মৎপৰাঃ = মোৰ ওপৰত নিবিষ্ট হোৱা সকল
সমুদ্ধর্ত্তা = উদ্ধাৰকাৰী
আপ্তুং = পাবলৈ
যতাত্মবান্ = সংযত চিত্ত হৈ
অদ্বেষ্টা = বিদ্বেষশূন্য ব্যক্তি
মৈত্রঃ = বন্ধুভাৱাপন্ন
কৰুণঃ = দয়ালু
নির্মমঃ = মমত্বশূন্য, মায়াবিহীন
ক্ষমী = ক্ষমাপৰায়ণ
দৃঢ়নিশ্চয়ঃ = যাৰ সংকল্প কঠিন
অনপেক্ষ = পক্ষপাতশূন্য
শুচিঃ = পৱিত্র
দক্ষ = আলস্যবিহীন
গতব্যথঃ = মানসিক দুঃখশূন্য
সমঃ = সমান
সঙ্গবিবর্জিতঃ = আসক্তিশূন্য
মৌনী = মৌনতা আচৰণ কৰা ব্যক্তি; যিয়ে নিজৰ কথা সংযত কৰিব পাৰে।
অনিকেতঃ = নির্দিষ্ট বাসস্থানশূন্য

২.৫ ব্যাকৰণগত টোকা

এই শিতানত কিছুমান শব্দৰ ব্যুৎপত্তি ভাঙি দেখুৱা হৈছে -

পর্য্যুপাসতে = পৰি - উপ - আস্ + লট্ অন্তে
আৱেশ্য = আ - ৱিশ্ + ল্যপ্
উপাসতে = উপা - আস্ + লট্ অন্তে
প্রাপ্নুৱন্তি = প্র - আপ্ + লট্ অন্তি
অৱাপ্যতে = অৱ - আপ্ + কর্মণি লট্তে
আধৎস্ব = আ - ধা + লোট্ স্ব (মধ্যম পুৰুষ একবচন)
আপ্তুম্ = আপ্ + তুমুন্

অৱাপ্স্যসি = অৱ - আপ্ +লৃট্ স্যসি।

কর্ত্তুং = কৃ +তুমুন্।

২.৬ ব্যাখ্যা

ইয়াত গীতাৰ দ্বাদশ অধ্যায়ৰ কিছুমান গুৰুত্বপূৰ্ণ শ্লোকৰ অসমীয়া ব্যাখ্যা দিয়া হৈছে।

(১) ময়্যাৱেশ্য মনো যে মাং নিত্যযুক্তা উপাসতে।

শ্রদ্ধয়া পৰয়োপেতাস্তে মে যুক্ততমা মতাঃ।।

উদ্ধৃত শ্লোকটো মহর্ষি বেদব্যাসপ্রণীত শ্রীমদ্ভগৱদ্গীতাৰ 'ভক্তিযোগ' নামৰ দ্বাদশ অধ্যায়ৰ অন্তর্গত। ভগৱান শ্রীকৃষ্ণই তেওঁৰ অনুগত যোগী পুৰুষৰ লক্ষণ সন্দর্ভত এনেদৰে ব্যক্ত কৰিছে।

অর্জুনৰ মনত সংশয় হৈছিল। তেওঁ বুজিব পৰা নাছিল যে যিসকলে ভগৱানৰ সাকাৰ ৰূপৰ উপাসনা কৰে আৰু যিসকলে পৰম ব্রহ্মৰ উপাসনা কৰে, এই দুই শ্রেণীৰ লোকৰ ভিতৰত কোনসকল ভগৱানৰ প্রিয়তৰ। এই সন্দেহৰ অৱসান ঘটাবলৈ শ্রীকৃষ্ণই সখা অর্জুনৰ ওচৰত ব্যক্ত কৰিছে যে প্রথমশ্রেণীৰ লোকক তেওঁ শ্রেষ্ঠতৰ যোগী হিচাপে জ্ঞান কৰে। ভগৱানে কৈছে যে এনে ব্যক্তিয়ে তেওঁৰ মন নিৰন্তৰ ভগৱানৰ ওপৰত নিবিষ্ট কৰে। তেওঁ অতিশয় শ্রদ্ধাপৰায়ণ। ভগৱানৰ প্রতি মনটোক স্থিৰ কৰিব পৰাটোৱেই 'যোগ'। এনে ব্যক্তিৰ বাবে অন্য কোনো বস্তুৰ গুৰুত্ব নাই। ভগৱানহে মুখ্য। তেনে ব্যক্তিয়েই ভগৱানৰ বিচাৰত শ্রেষ্ঠ যোগী হিচাপে গুৰুত্ব পায়।

(২) সংনিয়ম্যেন্দ্রিয়গ্রামং সর্ৱত্র সমবুদ্ধয়ঃ।

তে প্রাপ্নুৱন্তি মামেৱ সর্বভূতহিতেৰতাঃ।।

মহর্ষি বেদব্যাস প্রাণীত শ্রীমদ্ভগৱদ্গীতাৰ 'ভক্তিযোগ' নামৰ দ্বাদশ অধ্যায়ৰপৰা আলোচ্য শ্লোকটো উদ্ধৃত হৈছে। কেনে ব্যক্তিয়ে ভগৱানৰ সান্নিধ্য লাভ কৰিবলৈ সমর্থ হয়, সেই সন্দর্ভত উক্ত শ্লোকটোৰ অৱতাৰণা কৰা হৈছে।

ভগৱানে কৈছে যে প্রকৃত যোগসাধকেহে ভগৱানক লাভ কৰিব পাৰে। তেনে যোগী পুৰুষে সর্বদা ইন্দ্রিয়সমূহক সংযত কৰিব পাৰে। উল্লেখযোগ্য যে গীতাত ইন্দ্রিয়সমূহৰ ক্রিয়া-কলাপ ৰোধ কৰিবলৈ উপদেশ দিয়া হোৱা নাই। কিন্তু সিবিলাকক নিয়ন্ত্রণত ৰখাৰ ওপৰতহে গুৰুত্ব দিয়া হৈছে। তেনে জিতেন্দ্রিয় পুৰুষ সদায় সমগ্র জগতৰ কল্যাণৰ প্রতি যত্নশীল। ব্যক্তিগত কল্যাণ তেওঁৰ কাম্য নহয়। সামগ্রিক মঙ্গলহে তেওঁৰ অভীপ্সিত। বিশ্বৰ আত্মা স্বৰূপ পৰম পুৰুষ ভগৱানৰ সৈতে সাম্যহে তেওঁ কামনা কৰে। সেয়েহে সকলো প্রাণীৰ মঙ্গলহে তেওঁ কামনা কৰে। তেনে ব্যক্তিৰ মনত আপোন-পৰ, উচ্চ-নীচ ভাৱ নাই। এনে ক্ষুদ্র চিন্তাৰ ঊর্দ্ধত থকা ব্যক্তিয়েহে ভগৱানৰ সান্নিধ্য লাভ কৰিবলৈ সক্ষম বুলি ভগৱানে নিজে ব্যক্ত কৰিছে।

(৩) তেষামহং সমুদ্ধর্ত্তা মৃত্যুসংসাৰসাগৰাৎ।
ভৱামি ন চিৰাৎ পার্থ ময়্যাৱেশিতচেতসাম্।।

কৃষ্ণদ্বৈপায়ন বেদব্যাস প্রণীত শ্রীমদ্‌ভগৱদ্‌গীতাৰ 'ভক্তিযোগ' নামৰ দ্বাদশ অধ্যায়ৰপৰা আলোচ্য শ্লোকটো অনা হৈছে। কেনে ব্যক্তিয়ে সংসাৰ-বান্ধনৰপৰা মুক্তিলাভ কৰিবলৈ সমর্থ হয়, সেই বিষয়ে উক্ত শ্লোকত ভগৱান শ্রীকৃষ্ণই প্রকাশ কৰিছে।

ভগৱানে অর্জুনৰ ওচৰত ব্যক্ত কৰিছে যে যিসকল ব্যক্তিয়ে ভগৱানৰ সাকাৰ ৰূপৰ ধ্যান তথা উপাসনা কৰে, তেওঁলোকে মুক্তি লাভ কৰিবলৈ সমর্থ। তেনে ব্যক্তিয়ে সকলো কর্ম ভগৱানৰ ওচৰতেই সমর্পণ কৰে। তেওঁলোকে একনিষ্ঠ ভক্তিযোগৰদ্বাৰা ভগৱানক পাবলৈ যত্নশীল। সংসাৰত সকলো সৃষ্ট বস্তুৰেই বিনাশ থাকে। বিনাশশীল সমুদ্রৰূপ এই সংসাৰৰপৰা তেনে ব্যক্তিক ভগৱানে নিজে উদ্ধাৰ কৰে। তেনে ব্যক্তি জন্ম-মৃত্যুৰ বন্ধনৰপৰা মুক্ত হয়। ভগৱানে অর্জুনক কৈছে যে তেনে ব্যক্তিয়ে নিৰন্তৰ ভগৱানৰ ওচৰত চিত্ত সমর্পণ কৰে। তেনে ব্যক্তিয়ে মুক্তিলাভ কৰে। এই সন্দর্ভত ভাগৱতপু�ৰাণৰ (১১.১০.৭) এটি বচন উল্লেখযোগ্য - "ন নির্ৱিন্নো নাতিসক্তো ভক্তিযোগোঽস্য সিদ্ধিদঃ"। নিৰন্তৰ ভগৱদ্‌ভক্তিৰদ্বাৰা তেওঁলোকে জীৱনৰ চৰম সিদ্ধি লাভ কৰে।

(৪) অভ্যাসেঽপ্যসমর্থোঽসি মৎকর্মপৰমো ভৱ।
মদর্থমপি কর্মাণি কুর্ৱন্ সিদ্ধিমৱাপ্স্যসি।।

মহর্ষি বেদব্যাস ৱিৰচিত শ্রীমদ্‌ভগৱদ্‌গীতাৰ 'ভক্তিযোগ' নামৰ দ্বাদশ অধ্যায়ৰপৰা উক্ত শ্লোকটো সংগ্রহ কৰা হৈছে। উক্ত শ্লোকত ভগৱান শ্রীকৃষ্ণই বান্ধৱ অর্জুনক জীৱনৰ লক্ষ্য সাধনৰ বিষয়ে পৰামর্শ দিছে।

সংসাৰ বন্ধনৰপৰা মুক্তি লাভেই জীৱনৰ চৰম উদ্দেশ্য। সেয়াই মোক্ষ, জীৱনৰ অন্তিম সিদ্ধি। তাত সফল হবলৈ হ'লে ভগৱানৰ অনুগ্রহ নিতান্ত কাম্য। ভগৱানৰ প্রতি চিত্ত নিৱেশ কৰি, একাগ্রভাৱে তেওঁৰেই ধ্যান-উপাসনাত ৰত হৈ থাকিব পালে, ভগৱানৰ সান্নিধ্য লাভ সম্ভৱ হ'ব পাৰে। পিছে, মানুহৰ মনৰ বহির্মুখিতাৰ বাবে মানুহে ভগৱানক হৃদয়ত ধাৰণ কৰি চিত্ত সংযত কৰিবলৈ সদায় সক্ষম হোৱা দেখা নাযায়। সেয়েহে, ব্যক্তিয়ে নিজে একাগ্রতাৰ অভ্যাস কৰি যোগসাধনাৰ প্রতি সচেষ্ট হোৱা উচিত। পিছে, বাৰম্বাৰ অভ্যাস কৰাও সকলোৰে বাবে সম্ভৱ নহয়। ভগৱানে কৈছে যে, তেনে অৱস্থাত মানুহে সকলো কথা পৰিহাৰ হৰি শ্রীকৃষ্ণৰ চৰণ সেৱাতেই আত্মসমর্পণ কৰা উচিত। সখা অর্জুনক উদ্দেশ্য কৰি শ্রীকৃষ্ণই কৈছে যে ভগৱানৰ প্রতি সকলো কর্ম সমর্পিত কৰিব পাৰিলেই ব্যক্তিয়ে জীৱনৰ লক্ষ্য সাধনত সিদ্ধি লাভ কৰিবলৈ সমর্থ হব পাৰে।

(৫) শ্রেয়ো হি জ্ঞানমভ্যাসাজ্ জ্ঞানাদ্ ধ্যানং ৱিশিষ্যতে।
ধ্যানাৎ কর্মফলত্যাগস্ত্যাগাচ্ছান্তিৰনন্তৰম্।।

মহর্ষি বেদব্যাস প্রণীত শ্রীমদ্‌ভগৱদ্‌গীতাৰ 'ভক্তিযোগ' নামৰ দ্বাদশ অধ্যায়ৰপৰা আলোচ্য শ্লোকটো সংগৃহীত। ত্যাগৰ গুৰুত্বৰ বিষয়ে কবলৈ গৈ ভগৱান শ্রীকৃষ্ণই এই শ্লোকটোৰ

অৱতাৰণা কৰিছে।

ভগৱানৰ উপস্থিতি নিজৰ মাজত অনুভৱৰ নিমিত্তে ব্যক্তিয়ে সাধনাৰ প্ৰাথমিক স্তৰত একাগ্ৰতাৰ অভ্যাস কৰিবলগীয়া হয়। এই অভ্যাসতকৈ জ্ঞান শ্ৰেষ্ঠতৰ। আলোচ্য সন্দৰ্ভত 'জ্ঞান'ৰ তাৎপৰ্য্য হ'ল ঈশ্বৰৰ প্ৰতি মন সন্নিবেশ কৰা। এই জ্ঞানতকৈ আকৌ 'ধ্যান' শ্ৰেষ্ঠতৰ। নিৰন্তৰ ভগৱানৰ কথাতেই আত্মনিমজ্জিত হৈ থকাটোৱেই ধ্যান। ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে যে এই ধ্যানতকৈ আকৌ কৰ্মৰ ফলৰ প্ৰতি বীতৰাগ হ'ব পৰাটো শ্ৰেষ্ঠতৰ। সকলো ব্যক্তি নিজ নিজ কৰ্ত্তব্য সম্পাদন কৰিব লাগে। কিন্তু কৰ্মৰ ফলৰ প্ৰতি আসক্তিশূন্য হ'ব লাগে। এয়া অতি কঠিন কাম। কিয়নো সৱহভাগ লোকেই কৰ্মৰ ফলৰ প্ৰতিহে বেছি আগ্ৰহী। কৰ্মফল ত্যাগ কৰিব পাৰিলে সকলো অস্থিৰতা দূৰ হয়। ইয়ে ব্যক্তিৰ মানসিক স্থিৰতা আনে আৰু অনিৰ্বচনীয় শান্তিৰে শৰীৰ-মন আচ্ছাদিত হয়। এই শান্তিয়েই হ'ল ব্যক্তিৰ আধ্যাত্মিক পৰিক্ৰমাৰ মূল ভেটি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ঃ দ্বাদশ অধ্যায়ত কাক শ্ৰেষ্ঠতৰ যোগী বুলি কোৱা হৈছে?

.....

প্ৰশ্ন নং ৫ঃ ভক্তিযোগ নামৰ অধ্যায়টোৰ প্ৰথম শ্লোকটোৰ অসমীয়া অৰ্থ লিখক।

.....

প্ৰশ্ন নং ৬ঃ অভ্যাসতকৈ কি শ্ৰেষ্ঠ?

.....

প্ৰশ্ন নং ৭ঃ "প্ৰাপ্নুৱন্তি" শব্দটোৰ ব্যুৎপত্তি ভাঙি দেখুৱাওঁক।

.....

প্ৰশ্ন নং ৮ঃ 'মৎপৰাঃ' শব্দটোৰ অৰ্থ লিখক।

.....



২.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- গীতাৰ দ্বাদশ অধ্যায়ৰ শ্লোকসমূহৰ সংস্কৃত পাঠ জানিলে
- শ্লোকসমূহৰ গদ্যৰূপ আৰু অসমীয়া অনুবাদৰ বিষয়ে জানিলে
- শ্লোকত থকা কঠিন শব্দসমূহৰ অৰ্থ-সহজভাৱে জানিলে
- কিছুমান গুৰুত্বপূৰ্ণ শব্দৰ ব্যাকৰণগত দিশৰ লগত আপোনাৰ পৰিচয় হ'ল
- কেইটামান শ্লোকৰ ব্যাখ্যা আৰ্হি হিচাবে লাভ কৰিলে



২.৮ অধিক জানিবলৈ

১) মজুমদাৰ, সুবোধচন্দ্ৰ, *শ্রীমদ্‌ভগৱদ্‌গীতা,* দেৱ সাহিত্য কুটীৰ, কলকাতা,১৯৭৩।

২) ৰাধাকৃষ্ণণ, ড° সর্বপল্লী, *শ্রীমদ্‌ভগৱদ্‌গীতা,* মিশ্র ও ঘোষ পাৱলিচার্চ, কলকাতা (বংগাব্দ) ১৩৯০।



২.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ এবং সততযুক্তা য়ে ভক্তাস্ত্বাং পর্যুপাসতে।
য়ে চাপ্যক্ষৰমব্যক্তং তেষাং কে য়োগবিত্তমাঃ।। ১।।

২ নং প্রশ্নৰ উত্তৰঃ পৰি + উপাসতে।

৩ নং প্রশ্নৰ উত্তৰঃ শুচিঃ + দক্ষঃ

৪ নং প্রশ্নৰ উত্তৰঃ যিসকল ভক্তই শ্রীকৃষ্ণৰ ওপৰত মন স্থিৰ কৰি পৰম শ্রদ্ধাৰে নিৰন্তৰ শ্রীকৃষ্ণৰ উপাসনা কৰে, তেওঁলোককেই শ্রেষ্ঠ যোগী বুলি কোৱা হয়।

৫ নং প্রশ্নৰ উত্তৰঃ যিসকল ভক্তই নিৰন্তৰ তোমাতেই চিত্ত অর্পণ কৰি তোমাৰ উপাসনা কৰে আৰু যিসকলে অবিনশ্বৰ (ব্রহ্মৰূপ) তথা অব্যক্তৰ উপাসনা কৰে, সেইসকলৰ ভিতৰত কোনসকল শ্রেষ্ঠতৰ যোগী?

৬ নং প্রশ্নৰ উত্তৰঃ অভ্যাসতকৈ জ্ঞানশ্রেষ্ঠ।

৭ নং প্রশ্নৰ উত্তৰঃ প্র - আপ্ + লট্ অন্তি।

৮ নং প্রশ্নৰ উত্তৰঃ মাৰ ওপৰত (অর্থাৎ শ্রীকৃষ্ণৰ ওপৰত) নিবিষ্ট হোৱাসকল।



২.১০ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন

প্রশ্ন ১ঃ দ্বাদশ অধ্যায়ৰ প্রথম দহটা শ্লোকৰ অনুবাদ লিখক।

(খ) ৰচনাধর্মী প্রশ্ন

প্রশ্ন ২ঃ ব্যাখ্যা লিখক -

(ক) সংনিয়ম্যেন্দ্রিয়গ্রামং সর্ৱত্র সমবুদ্ধয়ঃ।
তে চ প্রাপ্নুৱন্তি মামেৱ সর্বভূতহিতেৰতাঃ।।

(খ) শ্রেয়ো হি জ্ঞানমভ্যাসাজ্ জ্ঞানাদ্ ধ্যানম্ বিশিষ্যতে।
ধ্যানাৎ কর্মফলত্যাগস্ত্যাগাচ্ছান্তিৰনন্তৰম্।।

*** ***** ***